বিশ্বায়ন

Globalisation

বিশ্বায়নৰ ধাৰণা (The Concept of Globalisation): বিশ্বায়ন হৈছে বৰ্তমান যুগৰ এক বহুল প্ৰচলিত ধাৰণা। বিশ্বায়নৰ ইংৰাজী পৰিশব্দ Globalisation আৰু এই শব্দটি পোনপ্ৰথমবাৰৰ কাৰণে ফৰাচী সাহিত্যত ব্যৱহৃত হৈছিল। হাভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক Theodore Levitt য়ে এই Globalisation শব্দটি পোনপ্ৰথমে ব্যৱহাৰ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ অধ্যয়নত শিল্প বিপ্লৱৰ পাছৰ পৰা ব্যৱহৃত হোৱা দেখিবলৈ পোৱা যায়। বিশ্বায়নে বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত ব্যৱসায়-বাণিজ্যৰ দ্ৰুত গতিত সম্প্ৰসাৰণ ঘটাবলৈ সক্ষম হৈছে। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বিশ্বায়নে সমগ্ৰ বিশ্বকে এক বিশ্ব সম্প্ৰদায়ত পৰিণত কৰিছে। সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ সামগ্ৰিক উন্নয়ন সাধনৰ বাবে বিশ্বায়নৰ প্ৰক্ৰিয়াটোক কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

এক অৱধাৰণা (Concept) হিচাপে বিশ্বায়নৰ অৰ্থ হৈছে প্ৰৱাহ আৰু এনে প্ৰৱাহ বিভিন্ন ধৰণৰ, যেনে— ধাৰণাৰ প্ৰৱাহ, দ্ৰব্য সামগ্ৰীৰ প্ৰবাহ, মানৱ সম্পদৰ প্ৰবাহ, নিয়োগ সন্ধানীৰ প্ৰবাহ, মস্তিষ্কৰ প্ৰবাহ আদি হ'ব পাৰে। বিশ্বৰ এখন ঠাইৰ পৰা আন এখন ঠাইলৈ, এখন ৰাষ্ট্ৰৰ পৰা আন এখন ৰাষ্ট্ৰলৈ বা এখন মহাদেশৰ পৰা আন এখন মহাদেশলৈ ইবিলাক প্ৰবাহিত হ'ব পাৰে। এনেধৰণৰ বিভিন্ন প্ৰবাহৰ ফলত বিশ্বৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণৰ মাজত পাৰস্পৰিক আন্তঃ সংযোগ গঢ়ি উঠে। গতিকে বিশ্বব্যাপী গঢ়ি উঠা এনে বিভিন্ন ধৰণৰ আন্তঃসংযোগতাক বিশ্বায়নৰ মূল কেন্দ্ৰবিন্দু বুলি অভিহিত কৰিব পাৰি। গতিকে বিশ্বায়নৰ সংজ্ঞা সম্বন্ধে আলোচনা কৰাৰ পূৰ্বে এই বিশ্বব্যাপী আন্তঃসংযোগৰ অৰ্থ জনাটো আৱশ্যক। বিশ্বব্যাপী আন্তঃসংযোগতা বুলি ক'লে মূলধন, সামগ্ৰী, মানৱ সম্পদ আদিৰ গতিশীলতা তথা চলাচলক সূচায় আৰু এনে চলাচল পৃথিৱীৰ যিকোনো অঞ্চলৰ পৰা অন্য যিকোনো অঞ্চললৈ হ'ব পাৰে। গতিকে এনে দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চালে ক'ব পাৰি যে বিশ্বায়ন আৰু বিশ্বজুৰি আন্তঃসংযোগৰ মাজত ওচৰ সম্বন্ধ আছে।

বিশ্বায়নৰ সংজ্ঞা (Definition of Globalisation):

বিশ্বায়ন শব্দটি বিভিন্ন অৰ্থ আৰু প্ৰসংগত ব্যৱহাৰ কৰা হয়। সেয়েহে ইয়াৰ এক সাৰ্বজনীন সংজ্ঞা আগবঢ়োৱা জটিল। তলত বিশ্বায়ন সম্বন্ধে বিভিন্ন চিন্তাবিদসকলে আগবঢ়োৱা বিভিন্ন সংজ্ঞাসমূহ দাঙি ধৰা হ'ল।

এডভাৰ্ড এছ হাৰমেনৰ মতে "বিশ্বায়ন মানে আন্তঃৰাষ্ট্ৰীয় পৰিসীমা অতিক্ৰম কৰি সংঘটিত পৰিচালনা আৰু পদ্ধতিৰ সম্প্ৰসাৰণ। একে সময়তে ই হৈছে অবিৰতভাৱে সম্প্ৰসাৰিত আৰু সমান্তৰালভাৱে পৰিবৰ্তিত হৈ থকা সুযোগ সুবিধা আৰু অৰ্থনৈতিক সম্পৰ্ক" (*"Globalisation is the expansion across international borders of management and process. At the same time, it is a condition of facilities and economic releation which is constantly expanding and is simultaneously changing"*)।

আৰ্নল্ড টয়েনবি (Arnold Toyanbee)-ৰ মতে "বিশ্বায়নৰ অৰ্থ প্ৰভাৱশালী কেন্দ্ৰৰ লগত একত্ৰীকৰণ, বহুপাক্ষিক প্ৰক্ৰিয়া নহয়" (*Globalisation means intergration into the dominant Centre not a multilateral process*)।

আন এজন চিন্তাবিদ **ডেভিদ হেল্ড** (David Held)-এ বিশ্বায়নক সমসাময়িক সমাজ জীৱনৰ সকলো দিশতেই বিশ্বব্যাপী আন্তঃনিৰ্ভৰশীলতাৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণৰ এক প্ৰক্ৰিয়াক সূচাইছে।" (*Globalisation is the widening deeping and speeding up of world wide interconnectedness in all aspects of contemporary social life*)।

জন বেইলিছ আৰু ষ্টিৰ স্মিথ (John Baylis and Stere Smith)ৰ মতে, "বিশ্বায়ন হৈছে এনে প্ৰক্ৰিয়া য'ত বিভিন্ন সমাজৰ মাজত ক্ৰমান্বয়ে পাৰস্পৰিক নিৰ্ভৰশীলতা স্থাপিত হয়, যাৰ ফলত বিশ্বৰ কোনো এক প্ৰান্তত সংঘটিত ঘটনাই বহু দূৰত অৱস্থিত জনসাধাৰণ নতুবা সমাজৰ ওপৰত প্ৰভাৱ পেলায় (*Globalisation is the process whereby social relations acquire relatively distanceless-borderless qualities*)। বিশ্বায়নৰ ফলত পৃথিৱীৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক নাইবা সাংস্কৃতিক ঘটনাৱলীসমূহৰ এটাই আনটোৰ লগত পাৰস্পৰিকভাৱে সম্পৰ্ক হয় আৰু সেইবোৰৰ প্ৰভাৱো সুদূৰপ্ৰসাৰী হয়। আনধৰণে ক'ব পাৰি যে বিশ্বায়নৰ পৰিণাম স্বৰূপে পৃথিৱীৰ বিভিন্ন অংশৰ মাজত সমন্বয় স্থাপন হোৱাত পৃথিৱীৰ পৰিধি সংকুচিত হৈ আহিছে। বিশ্বায়ন ব্যৱস্থাৰ উদাহৰণ হিচাপে বিশ্বব্যাপী দূৰদৰ্শন সেৱা, যোগাযোগ ব্যৱস্থা, আন্তঃৰাষ্ট্ৰীয় সংবাদপত্ৰ, ইণ্টাৰনেট সেৱা, এমনেষ্টি ইণ্টাৰনেশ্যনেল (Amnesty International) তথা গ্ৰীণ পিচ (Green Peace)ৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংস্থাবিলাক, প্ৰদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি আৰু এইডছৰ দৰে বিশ্বব্যাপী হোৱা মাৰাত্মক ঘটনাসমূহৰ বিষয়ে উল্লেখ কৰিব পাৰি। সেয়েহে ক'ব পাৰি যে বিশ্বায়নৰ ফলতেই যে পৃথিৱীৰ একমাত্ৰ পৰিৱৰ্তন সাধন হৈছে এনে নহয়, বৰং ইয়াৰ ফলত পৃথিৱীৰ গতানুগতিক পৰিৱৰ্তনো সাধিত হৈছে। আৰু এনেদৰেই বিশ্বায়নৰ পৰিণাম স্বৰূপে এক নতুন ৰাজনৈতিক ব্যৱস্থা গঢ়ি উঠিছে।

যোছেফ ষ্টিগলিটজ (Joseph Stiglitz)এ বিশ্বায়নৰ সংজ্ঞা প্ৰসংগত কৈছে যে বিশ্বায়ন হৈছে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰ জনগোষ্ঠীৰ মাজত নিবিড় একাত্মতা বা একীভৱন। এই একীভৱন মূলতঃ দুটা কাৰণত ঘটিছে। প্ৰথমতে, পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত অভূতপূৰ্ব ব্যয় সংকোচন আৰু দ্বিতীয়তে সাম্প্ৰতিক সময়লৈকে প্ৰচলিত ৰাষ্ট্ৰ এখনৰ পৰা আন এখন ৰাষ্ট্ৰলৈ পণ্য সেৱা বৃদ্ধি জ্ঞান, বিজ্ঞান, মানৱ সম্পদ আদি আদান-প্ৰদানৰ ক্ষেত্ৰত কৃত্ৰিম বাধা নিষেধৰ অন্তৰ্ধান।

ব্ৰিটিছ সমাজতত্ত্ববিদ **এন্থনি গিডেনছ** (Anthony Giddens)এ বিশ্বায়নৰ সংজ্ঞা আগবঢ়াই কৈছে— *"Globalisation is the intensification of world wide social relations which link distant*

localities is such a way that local happenings are shaped by events occuring many miles away and vice versa"।

চেজি থমাছ (Saji Thomas)এ কৈছে যে অতিৰাষ্ট্ৰীয় নিগমসমূহৰ জৰিয়তে সমগ্ৰ বিশ্বতে ব্যক্তিগত মূলধনৰ মুক্ত আমদানিক বুজোৱাৰ অৰ্থত বিশ্বায়ন শব্দটি ব্যৱহাৰ কৰা হয়। এক সামগ্ৰিক সেৱাসমূহৰ লগতে ধনীক শ্ৰেণীৰ লাভ আহৰণৰ কাৰণে ই হৈছে বিশ্ব বজাৰৰ সংহতকৰণ স্থানীয় গ্ৰাম্য সম্প্ৰদায়ৰ পৰা বিশ্ব বজাৰৰ দেওনা অতিক্ৰম কৰিবৰ কাৰণে বিশ্বায়নৰ প্ৰক্ৰিয়া উপস্থাপন কৰা হৈছে।

পিটাৰ মাৰ্কাচ (Peter Marcus)ৰ মতে, বিশ্বায়ন নতুন বিষয় নহয়, ই হ'ল এক বিশেষ ধৰণৰ পুঁজিবাদ, বিশ্বজুৰি পুঁজিবাদৰ সম্প্ৰসাৰণ। ১৯৭০ দশকৰ পৰা এই পুঁজিবাদী সম্পৰ্কৰ সম্প্ৰসাৰণৰ দুটা বিশেষ দিশ লক্ষ্য কৰা যায়। (১) প্ৰযুক্তিগত উন্নয়ন আৰু (২) ক্ষমতাৰ কেন্দ্ৰীভূতকৰণৰ উন্নয়ন। পুঁজিবাদী সম্পৰ্কৰ সম্প্ৰসাৰণৰ এই দুয়োটা দিশ বিশ্বায়নৰ সূতাৰে মেৰ খাই আছে। উল্লেখযোগ্য যে পিটাৰ মাৰ্কাচৰ বিশ্বায়ন সম্বন্ধীয় সংজ্ঞাটো আমি যদি গ্ৰহণ কৰোঁ, তেন্তে ক'ব পাৰোঁ যে ১৯৭০ দশকৰ পৰা বিশ্বৰ আৰ্থ-সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, কাৰিকৰী তথা প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত আৰু মানুহে মানুহৰ লগত সম্পৰ্ক ৰক্ষা কৰাৰ ক্ষেত্ৰত যিবিলাক বহুমাত্ৰিক পৰিৱৰ্তন সংঘটিত হৈছে সিবিলাকক একেলগে বিশ্বায়ন বা গোলকীয়কৰণ আখ্যা দিব পাৰি।

এন্ড্ৰিউ হাইউদ (Andrew Haywood)ৰ ভাষাত "গোলকীকৰণ এটা প্ৰক্ৰিয়া নহয়, ই এক জটিল প্ৰক্ৰিয়া কেতিয়াবা উপৰা-উপৰিকৈ জাপ খাই থকা আৰু কেতিয়াবা একেলগ কৰি গাঁঠি থোৱা আৰু কেতিয়াবা পৰস্পৰ বিৰোধী"। গোলকীকৰণক ৰাষ্ট্ৰীয় সীমা নোহোৱা বিশ্ব বুলি কোৱা হয়। গোলকীকৰণত ৰাষ্ট্ৰসমূহৰ মাজৰ বিভিন্নতাক স্বীকাৰ কৰা নহয়, মানুহৰ মাজৰ পৰম্পৰাগত পাৰ্থক্যকো গুৰুত্ব দিয়া নহয়। গোলকীকৰণৰ প্ৰকৃত অৰ্থ হ'ল ব্যক্তিগত উৎপাদক আৰু ব্যৱসায়ীসকলৰ অৰ্থনৈতিক কাৰ্যকলাপত হস্তক্ষেপ নকৰা আৰু বহুৰাষ্ট্ৰীয় উৎপাদক আৰু বিনিয়োগকাৰী সকলক ৰাষ্ট্ৰীয় বজাৰ মুকলি কৰি দিয়া আৰু বিনিয়োগৰ পৰ্যাপ্ত সুবিধা দান কৰা।

অধ্যাপক **গালা আমিন** (Gala Amin)ৰ মতে, "বিশ্বায়ন হৈছে এক বহুমুখী পৰিঘটনা য'ত অন্তৰ্ভুক্ত হৈ আছে আন্তজাৰ্তিক বাণিজ্য, শ্ৰম, পুঁজি আৰু প্ৰযুক্তিবিদ্যাৰ গতি ক্ষিপ্ৰ কৰণ তথা আদৰ্শ আৰু জীৱনশৈলীৰ ৰূপান্তৰকৰণ" (*Globalisation is a multijacted phenomenon, which includes the acceleration of international trade of the flows of labour capital and technology as well as of the transfer of ideas and pattern of living*)।

ডেভিদ হেল্ড (David Held)ৰ মতে, "বিশ্বায়ন হৈছে বিশ্বজুৰি দ্ৰুত অৰ্থনৈতিক সংহতিকৰণ এক প্ৰক্ৰিয়া যাক বাণিজ্যৰ উদাৰীকৰণ পুঁজি আৰু বিনিয়োগৰ প্ৰবাহ তথা দ্ৰুত প্ৰযুক্তিবিদ্যাগত পৰিৱৰ্তনে আগবঢ়াই নিয়ে" (*Globalisation has defined as a person of rapid economic intergation among countries drives by the liberalisation of trade, investment and capital blows as well as rapid technology change*)।

Cochraue and Painৰ মতে, "বিশ্বায়ন এনে এক সম্পৰ্কৰ প্ৰক্ৰিয়াক সূচায়। যি সমগ্ৰ পৃথিৱীৰ সাংস্কৃতিক অৰ্থনৈতিক আৰু ৰাজ্যনৈতিক অস্তিত্বৰ পাৰস্পৰিক সংযোগ ঘটায়" (*Globalisation curtails relationship that involve the existance of cultural, economic and political network of connection across the World*)।

ফ্ৰিডমেন আৰু কাপলান (Friedman and Kaplan)এ কৈছে, "বিশ্বায়ন বজাৰ ব্যৱস্থা বিত্ত আৰু প্ৰযুক্তিবিদ্যাৰ সংহতিকৰণ এক প্ৰক্ৰিয়া যি বিশেষকৈ তথ্য-প্ৰযুক্তিবিদ্যাৰে এনে এক পথৰ সৃষ্টি কৰিছে, য'ত বিশ্বখন সংকুচিত হৈ ক্ষুদ্ৰ আকৃতি হৈছে যাৰ বাবে বিশ্বৰ ভিন্ন প্ৰান্তৰ ব্যক্তিয়ে সহযোগেই গভীৰ আৰু ক্ষিপ্ৰতাৰে গোলকৰ চৌদিশে ঘূৰিব পাৰিছে" (*Globalisation of markets finance and technology especially information technology in a way shrinks the world to a miniatuse in size and enable people from different parts of the globe to reach around the world fuster, deeps and cheapes*)।

দীপক নায়াৰ (Deepak Nayar)**ৰ মতে**, বিশ্বায়ন হৈছে "এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে অৰ্থনৈতিক প্ৰগতিৰ লগে লগে আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিৰ ৰাষ্ট্ৰসমূহৰ মাজত অৰ্থনৈতিক নিৰ্ভৰশীলতা আৰু মুক্ত অৰ্থনীতিৰ সম্প্ৰসাৰণ ঘটিছে" (*Globalisation is a process associated with increasing economic openness, growing economic independence and deepening economic integration between countries of the World Economy*)।

বিশ্বায়ন সম্পৰ্কীয় উপৰিউক্ত সংজ্ঞাসমূহ বিশ্লেষণ কৰি বিশ্বায়নৰ মূল অৱধাৰণাটোক আমি এনেদৰে ব্যাখ্যা কৰিব পাৰোঁ যে ই হ'ল এক শক্তি যি বিশ্ব সমাজৰ এক বৃহৎ অংশক এনেদৰে প্ৰভাৱিত কৰিছে যে বিশ্বৰ কোনো এক প্ৰান্তৰ পৰা অন্য প্ৰান্তৰ জাতীয়-সংস্কৃতি, জাতীয় অৰ্থনীতি আৰু জাতীয় সীমা লীন হৈ এক বিশ্বগাঁৱলৈ ৰূপান্তৰিত হৈছে। বিশ্বায়ন হৈছে এক অৰ্থনৈতিক আন্দোলন যাৰ জৰিয়তে প্ৰতিখন ৰাষ্ট্ৰই বিশ্ব বজাৰ তথা নিজা ব্যৱসায়-বাণিজ্য মুক্তভাৱে চলাই যাব পাৰে। বিশ্বায়নৰ সৈতে ব্যক্তিগতকৰণ আৰু উদাৰীকৰণ অস্থায়ীভাৱে যুক্ত হৈ আছে। আনকথাত ক'বলৈ হ'লে বিশ্বায়নৰ প্ৰধান ভিত্তি হৈছে ব্যক্তিগতকৰণ আৰু উদাৰীকৰণ। ৰাষ্ট্ৰবিলাকে নিজ নিজ ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়নৰ বাবে উদাৰ নীতি অনুসৰণ কৰে। উদাৰীকৰণে মুক্ত বাণিজ্য, ঘৰুৱা অৰ্থনীতি আৰু সম্পদৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ হ্ৰাস, বিদেশী বিনিয়োগ বৃদ্ধি আৰু বিদেশী ঋণ আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। আনহাতে ব্যক্তিগতকৰণে ঘৰুৱা অৰ্থনীতিত বেচৰকাৰী খণ্ডৰ অংশ বৃদ্ধি আৰু বৈদেশিক কোম্পানীৰ আগমনক অনুমতি প্ৰদান কৰে। অৱশ্যে বিশ্বায়নৰ প্ৰভাৱ যে অকল বাণিজ্যিক ক্ষেত্ৰতেই পৰে এনে নহয়, বিশ্বৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক কাৰিকৰী আৰু প্ৰযুক্তিগত সকলো ক্ষেত্ৰতেই ইয়াৰ প্ৰভাৱ বিদ্যমান। এনেদৰে বিশ্বায়নে সমগ্ৰ বিশ্বায়নকে এটা কেন্দ্ৰীয় ব্যৱস্থাৰ অধীনলৈ অনাৰ এক অবিৰত প্ৰক্ৰিয়াক সূচায়। বিশ্ব বেংক, বিশ্ব অৰ্থনৈতিক মঞ্চ, বিশ্ব বাণিজ্য সংস্থা আদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানবিলাকে বিশ্বায়নৰ প্ৰক্ৰিয়াটোক উন্নীত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হয়।